# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 28-SEP-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

————————————————

ৰাজ্যত খালী হৈ থকা ভালেসংখ্যক শিক্ষক, স্বাস্থ্য বিভাগৰ কাৰিকৰী, অ-কাৰিকাৰী পদকে ধৰি বিভিন্ন পদৰ বাবে অনুষ্ঠিত পৰীক্ষাৰ ফলাফল অহা অক্টোবৰৰ ভিতৰত ঘোষণা কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰিছে। সামাজিক মাধ্যমযোগে মুখ্যমন্ত্ৰীয়ে কৰা ঘোষণা অনুসৰি ৯ অক্টোবৰৰ ভিতৰত চৰকাৰে এই পদসমূহত নিযুক্তি দিয়াৰ বাবে সিদ্ধান্ত লৈছিল যদিও ৰাজ্যৰ শেহতীয়া পৰিস্থিতি আৰু উচ্চ ন্যায়ালয়ৰ হস্তক্ষেপৰ বাবে নিযুক্তি প্ৰক্ৰিয়া কিছু পিছুৱাই দিবলগীয়া হৈছে। মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰা মতে এ ডি আৰ ইৰ তৃতীয় বৰ্গৰ পৰীক্ষাৰ ফলাফল ১০ অক্টোবৰত আৰু চতুৰ্থ বৰ্গৰ ফলাফল ১৫ অক্টোবৰত ঘোষণা কৰা হ'ব। স্বাস্থ্য বিভাগৰ কাৰিকৰী, অ-কাৰিকাৰী পদসমূহৰ বাবে অনুষ্ঠিত পৰীক্ষাৰ ফলাফল ১২ অক্টোবৰৰ পূৰ্বে ঘোষণা কৰাৰ লগতে প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক পদৰ বাবে অনুষ্ঠিত পৰীক্ষাৰ ফলাফল ১৫ৰ পৰা ২০ অক্টোবৰৰ ভিতৰত ঘোষণা কৰা হ'ব। স্নাতক আৰু স্নাতকোত্তৰ শিক্ষক পদৰ বাবে অনুষ্ঠিত পৰীক্ষাৰ ফলাফল ১৫ অক্টোবৰত ঘোষণা কৰা হ'ব। অগ্নিনিৰ্বাপক সংস্থাৰ বিভিন্ন পদৰ বাবে অনুষ্ঠিত পৰীক্ষাৰ ফলাফল অক্টোবৰৰ ভিতৰতে দিয়া হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰিছে। আনহাতে অহা ৭ অক্টোবৰত ৰাজ্যৰ ৩০ লাখ পৰিয়ালৰ বাবে অৰুণোদয়ৰ তৃতীয় সংস্কৰণ আৰম্ভ কৰা হ'ব বুলিও তেওঁ কয়। ৰাজ্যৰ চাৰে ৩ লাখ ছাত্ৰীক নিযুত মইনা আঁচনিৰ প্ৰথম কিস্তিৰ ধন ১০ৰ পৰা ১৫ অক্টোবৰত দিয়া হ'ব বুলি মুখ্যমন্ত্ৰী ডং শৰ্মাই ঘোষণা কৰিছে। আৰক্ষীৰ বিভিন্ন পদত নিযুক্তিৰ ক্ষেত্ৰত উচ্চ ন্যায়ালয়ে আৰোপ কৰা বাধাসমূহ নিষ্পত্তিৰ পাছত অক্টোবৰ মাহতে ফলাফলসমূহ ঘোষণা কৰিব পৰা যাব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে।

বাইট

০০০০০০

জনতাৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ মূল অভিযুক্ত শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাক জনতাৰ ধৈৰ্যৰ সৈতে নেখেলিবলৈ মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই আহ্বান জনাইছে। মুখ্যমন্ত্ৰীয়ে এই ঘটনা সন্দৰ্ভত অভিযোগ উঠা শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাক ৬ অক্টোবৰৰ ভিতৰত অসমত উপস্থিত হ'বলৈ নিৰ্দেশ দিয়ে। এই ঘটনাৰ ন্যায় বিচাৰ নোহোৱালৈ অসম চৰকাৰ ক্ষান্ত নহয় বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে ৰাইজক আইন হাতত তুলি নলবলৈ অনুৰোধ জনায়। তদুপৰি উৰাবাতৰিত পতিয়ন নাযাবলৈ মুখ্যমন্ত্ৰীয়ে সকলোকে আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে এই ঘটনাৰ নিৰপেক্ষ তদন্তৰ বাবে গুৱাহাটী উচ্চ ন্যায়ালয়ত এজন ন্যায়াধীশৰ নেতৃত্বত এখন ন্যায়িক সমিতি গঠন কৰাৰ বাবে উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশলৈ পত্ৰ প্ৰেৰণ কৰিছে বুলি জানিবলৈ দিয়ে। এই সমিতিখনে তদন্ত প্ৰক্ৰিয়া চালি-জাৰি চাব বুলিও মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

উল্লেখযোগ্য যে দুয়োগৰাকী অভিযুক্তৰ বিৰুদ্ধে অসম আৰক্ষীয়ে লুকআউট ন'টিছ্ জাৰি কৰিছে। দুয়োজন অভিযুক্তই কোনো কাৰণতে যাতে ভাৰত এৰি যাব নোৱাৰে তাৰ বাবে ইণ্টাৰপলৰ জৰিয়তে অসম আৰক্ষীয়ে এই জাননী জাৰি কৰিছে। মুখ্যমন্ত্ৰীয়ে এই ঘটনাৰ তদন্ত যথেষ্ট আগবঢ়া বুলি সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰি কয়, যে ৰাজ্য চৰকাৰে ছিংগাপুৰত থকা ভাৰতৰ ৰাষ্ট্ৰদূতৰ জৰিয়তে ৮ জন প্ৰবাসী অসমীয়ালৈও জাননী জাৰি কৰিছে। অহা ৬ অক্টোবৰৰ ভিতৰত শ্যামকানু মহন্ত আৰু সিদ্ধাৰ্থ শৰ্মাৰ লগতে আটাইকেইজনকে চি আই ডিৰ ওচৰত হাজিৰ

হ'বলৈ নিৰ্দেশ দিয়া হৈছে বুলিও তেওঁ কয়। ইপিনে, জুবিন গাৰ্গৰ মৃত্যুৰ তদন্ত বিচাৰি তেওঁৰ সহধৰ্মিনী গৰিমা শইকীয়া গাৰ্গসহ পৰিয়ালৰ তিনিগৰাকী সদস্যই কালি এজাহাৰ দাখিল কৰে। ই-মেইলযোগে চি আই ডিলৈ প্ৰেৰণ কৰা এজাহাৰখনত নৰ্থ-ইষ্ট ফেষ্টিভেলৰ উদ্যোক্তা শ্যামকানু মহন্ত আৰু জুবিন গাৰ্গৰ মেনেজাৰ সিদ্ধাৰ্থ শৰ্মাৰ লগতে ছিংগাপুৰত দুৰ্ঘটনা হোৱাৰ সময়ত শিল্পীগৰাকীৰ লগত থকা সকলোৰে নাম এজাহাৰখনত উল্লেখ কৰা হৈছে।

০০০০০০

বিশ্বৰ বিভিন্ন প্ৰান্তত থকা প্ৰবাসী অসমীয়াসকলৰ অন্যতম সংগঠন **স্নেহবন্ধন**ৰ উদ্যোগত কালি জনতাৰ শিল্পী জুবিন গাৰ্গক শ্ৰদ্ধাৰে স্মৰণ কৰা হয়। গুগুলমিটৰ জৰিয়তে অনলাই মাধ্যমেৰে অনুষ্ঠিত এই অনুষ্ঠানত স্নেহবন্ধনৰ সম্পাদক ড০ শশীকান্ত শইকীয়াই অংশগ্ৰহণ কৰা লোকসকলৰ পৰিচয় দাঙি ধৰে। সভানেত্ৰী তথা গ্ৰেট ব্ৰিটেইনৰ বাসিন্দা মঞ্জিৰা চৌধুৰীয়ে জুবিন গাৰ্গৰ কৰ্ম আৰু সমাজৰ প্ৰতি দায়িত্ববোধ নতুন প্ৰজন্মৰ আদৰ্শ হোৱা উচিত বুলি উল্লেখ কৰি কয়, যে জুবিন গাৰ্গ অবিহনে অসমীয়া সমাজ একপ্ৰকাৰ শূন্য হৈ পৰিল। বিশ্বৰ গৰিষ্ঠসংখ্যক দেশতে জনপ্ৰিয় জুবিন গাৰ্গক এতিয়া স্মৰণ কৰিলেই নহ'ব। তেওঁৰ আদৰ্শ, চিন্তা আৰু দৰ্শন জীয়াই ৰাখিবলৈ সকলো অসমীয়াই চেষ্টা কৰিব লাগিব। উপ-সভাপতি তথা স্কটলেণ্ডৰ বাসিন্দা নিৰলা বৰুৱাই কয়, যে প্ৰয়াত শিল্পী জুবিন গাৰ্গৰ জনপ্ৰিয়তাই মূলধন আছিল। তেওঁ মানুহক ভাল পাইছিল আৰু মানুহৰ বাবে কাম কৰিছিল। স্নেহবন্ধনৰ সহকাৰী সম্পাদক তথা দক্ষিণ আফ্ৰিকাৰ বাসিন্দা ড০ মুকুট গোহাঁয়ে কয়, যে প্ৰকৃত জুবিন গাৰ্গক আমি আচলতে চিনি নাপালো। অসমৰ এই মহান শিল্পীগৰাকীক আমি ভৱিষ্যতে জীয়াই ৰাখিব লাগিব। দেশ-বিদেশৰ অৰ্ধ শতাধিক লোকে অংশগ্ৰহণ কৰা এই শ্ৰদ্ধাঞ্জলি অনুষ্ঠানটোত ডিব্ৰুগড় সাহিত্য সভাৰ উপ-সভাপতি তথা সাংবাদিক যাদৱ গগৈও অংশগ্ৰহণ কৰে।

০০০০০০

সমাপ্ত